**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-JUNE-2026
**Time :** 0755 HRS

## ***Assamese Morning Bulletin***

আজি নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব।

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা দেৱালয়ত আজিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে  প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী মেলা উপলক্ষে দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সাধু-সন্যাসী তথা ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা পৰিলক্ষিত হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

০০০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত আজিৰে পৰা আৰম্ভ হ'বলগীয়া অম্বুবাচী মেলা উপলক্ষে মহানগৰীৰ উপ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ তৰফৰ পৰা সাধাৰণ নাগৰিকৰ যাতায়াত সন্দৰ্ভত কিছু নীতি-নিৰ্দেশনা জাৰি কৰা হৈছে। ভক্তসকল, বিশেষকৈ শিশু, শিক্ষাৰ্থী, মহিলা, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলকে ধৰি জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে। তদুপৰি বিদ্যালয়লৈ আহ-যাহ কৰা বাহন, অগ্নিনিৰ্বাপক বাহিনীৰ লগতে এম্বুলেন্সকে ধৰি জৰুৰীকালীন বাহনসমূহৰ সুচল আহ-যাহ সুনিশ্চিত কৰাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। আজিৰ পৰা ২৬ জুনলৈকে  জৰুৰীকালীন বাহনসমূহৰ বাহিৰে আন বাহনসমূহ মন্দিৰৰ পাদদেশৰ পৰা মূল মন্দিৰলৈ যোৱাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। অৱশ্যে নিশা এঘাৰ বজাৰ পৰা পুৱা ৫ বজালৈ পানীৰ যোগানকে ধৰি আৱশ্যকীয় খাদ্য সামগ্ৰী বা অন্যান্য সম্ভাৰ যোগান ধৰা বাহনসমূহ মন্দিৰলৈ যাব পাৰিব।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কাইলৈ দিনৰ ১১ বজাত হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা ২০২৬ৰ ফলাফল ঘোষণা কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। পৰিষদে জনোৱা অনুসৰি পৰীক্ষাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ চৰকাৰী ৱেবছাইটৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফলসমূহ লাভ কৰিব পাৰিব।

০০০০০০

ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ চমুকৈ আই পি এলৰ দৰে আসমতো অনুষ্ঠিত হ'ব অসম প্ৰিমিয়াৰ লীগ চমুকৈ এ পি এল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামৰ প্ৰেক্ষাগৃহত কালি আনুষ্ঠানিকভাৱে এই ল'গ' আৰু ট্ৰফী মুকলি কৰে। অহা ১ আগষ্টৰ পৰা ২৩ আগষ্টলৈকে লীগৰ খেলসমূহ অনুষ্ঠিত হ'ব। এই লীগত মুঠ আঠটা দলে অংশগ্ৰহণ কৰিব। এ পি এলত অংশগ্ৰহণ কৰা দলকেইটা হৈছে - গুৱাহাটী ৰয়েলছ, যোৰহাট ষ্টেলিয়নছ, তেজপুৰ টাইটানছ, ডিব্ৰুগড় ৱাৰিয়ৰ্ছ, নগাঁও ৰেঞ্জাৰ্ছ, বৰপেটা ব্ৰেভজ, চৰাইদেউ ছানৰাইজাৰ্ছ আৰু বৰাক লিজেণ্ডছ। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এ পি এল

অসমৰ ক্ৰীড়া ইতিহাসৰ বাবে ইতিবাচক দিশ। এই লীগৰ জৰিয়তে বহু প্ৰতিভা চিনাক্ত হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। লীগ সন্দৰ্ভত বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াই এইদৰে কয় -

বাইট

০০০০০০

**সমাপ্ত**